**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 22-07-2025 **Time :** 0900 Hrs.

**Assamese Morning Bulletin**
**Headlines**

১। ৰাজ্যৰ বান আৰু খৰাংপীড়িত পৰিস্থিতিৰ বুজ ল'বলৈ কেন্দ্ৰীয় মন্ত্ৰী শিৱৰাজ সিং চৌহানৰ অসম ভ্ৰমণৰ সম্ভাৱনা।

২। উৰিয়ামঘাট সীমান্তৰ ৰেংমা সংৰক্ষিত বনাঞ্চলত অবৈধভাৱে বসতি কৰি থকা লোকক সাদিনৰ ভিতৰত ভূমি খালী কৰাৰ বাবে বন বিভাগৰ জাননী।

৩। গুৱাহাটী বিজ্ঞান নগৰী প্ৰকল্পৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ অতিৰিক্তভাৱে ৫০ কোটি টকা মুকলি। ডিচেম্বৰত প্ৰকল্পটো উদ্বোধনৰ বাবে চৰকাৰৰ যাৱতীয় ব্যৱস্থা গ্ৰহণ।

৪। অৱসৰপ্ৰাপ্ত অধ্যাপকৰ পুনৰ নিযুক্তিৰে ৰাজ্যৰ আদৰ্শ মহাবিদ্যালয়সমূহত নতুন আৰু পুৰণিৰ সমাহাৰৰ প্ৰয়াস চলোৱা হৈছে বুলি শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৰ মন্তব্য।

*আৰু*

৫। ব্ৰহ্মপুত্ৰত চীনে বৃহৎ বান্ধ নিৰ্মাণ কৰা বিষয়ত কেন্দ্ৰীয় চৰকাৰে চুবুৰীয়া দেশখনৰ সৈতে আলোচনা কৰি সিদ্ধান্ত ল'ব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ আশা প্ৰকাশ।

০০০০০০০০

ৰাজ্যৰ বান আৰু খৰাংপীড়িত কেইবাখনো জিলাৰ পৰিস্থিতিৰ বুজ ল'বলৈ কেন্দ্ৰীয় কৃষি, কৃষক কল্যাণ আৰু গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানে জিলাসমূহ ভ্ৰমণ কৰিব। নতুন দিল্লীৰ কৃষি ভৱনত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ সৈতে ৰাজ্যৰ কৃষিমন্ত্ৰী অতুল বৰাৰ বৈঠকৰ সময়ত কালি শ্ৰী চৌহানে এই বিষয়ে আশ্বাস দিয়ে। বৈঠকত মন্ত্ৰী শ্ৰীবৰাই অসমৰ কৃষকসকলে সম্প্ৰতি সন্মুখীন হোৱা প্ৰাকৃতিক দুৰ্যোগৰ বিষয়ে তেওঁক অৱগত কৰে। ৰাজ্যৰ কেইবাখনো জিলা বানত ক্ষতিগ্ৰস্ত হোৱাৰ বিপৰীতে বহু অঞ্চলত খৰাং সদৃশ পৰিস্থিতিৰ সৃষ্টি হৈছে বুলি তেওঁ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক অৱগত কৰে। এই প্ৰাকৃতিক দুৰ্যোগে কৃষকসকলৰ লগতে গ্ৰাম্য অৰ্থনীতিত পেলোৱা প্ৰভাৱ সম্পৰ্কেও মন্ত্ৰীগৰাকীয়ে শ্ৰীচৌহানৰ সৈতে আলোচনা কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ কৃষি মন্ত্ৰীগৰাকীক কেন্দ্ৰীয় চৰকাৰৰ সংকটৰ সময়ত অসমৰ কৃষকসকলৰ কাষত থাকিব বুলি আশ্বাস দিয়ে। তেওঁ শীঘ্ৰে ৰাজ্যত বান আৰু খৰাঙত ক্ষতিগ্ৰস্ত জিলাসমূহ ভ্ৰমণ কৰি কৃষকসকলৰ সৈতে মত বিনিময় কৰিব বুলিও প্ৰতিশ্ৰুতি দিয়ে। এই বৈঠকত ৰাজ্যখনত কেতবোৰ শস্যৰ জাতৰ বিষয়ত অধিসূচনা জাৰি নকৰাৰ গুৰুত্বপূৰ্ণ বিষয়টো মন্ত্ৰীগৰাকীয়ে উত্থাপন কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে অসমৰ কৃষকসকলৰ সুবিধাৰ্থে ৰাজমাহ, মচুৰ দাইল, ৰহৰ দাইল, সূৰ্যমুখী ফুল, নহৰু আৰু পিঁয়াজকে ধৰি কেইবাবিধো শস্যৰ অধিসূচনা জাৰিৰ ব্যৱস্থা ল'বলৈ ভাৰতীয় কৃষি গৱেষণা পৰিষদক নিৰ্দেশ দিয়ে। এই বৈঠকত কৃষি মন্ত্ৰীগৰাকীয়ে ফচল বীমা যোজনাৰ ৰূপায়ণ সন্দৰ্ভতো আলোচনা কৰে। কৃষকসকলক সহজে বীমাৰ সুবিধা দিবলৈ বাধ্যতামূলক ডিজিটেল কৃষক পঞ্জীয়নৰ ব্যৱস্থা কিছু শিথিল কৰিবলৈ মন্ত্ৰীগৰাকীয়ে আহ্বান জনায়। তদুপৰি উত্তৰ-পূবৰ বাবে মিছন অৰ্গেনিক ভেলু চেইন ডেভেলপমেণ্ট আঁচনিখনৰ কাৰ্যকাল এবছৰ বৃদ্ধি কৰাৰ সন্দৰ্ভতো বৈঠকত

আলোচনা কৰা হয়। এই বৈঠকত কেন্দ্ৰীয় কৃষি সচিব দেবেশ চতুৰ্বেদী প্ৰমুখ্যে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ কৃষি বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত আছিল।

oooooooo

গোলাঘাট জিলা বন বিভাগে জিলাখনৰ উৰিয়ামঘাট সীমান্তৰ ৰেংমা সংৰক্ষিত বনাঞ্চলত উচ্ছেদ চলাবলগীয়া ৩০ খন গাঁৱত অবৈধভাৱে দখল কৰি থকা লোকসকলক সাত দিনৰ ভিতৰত ভূমি খালী কৰি দিবলৈ জাননী জাৰি কৰিছে। এই নিৰ্দেশত বন বিভাগে বনাঞ্চল ধ্বংস কৰি ঘৰ-বাৰী স্থাপন কৰাৰ লগতে বনভূমিক কৃষি ভূমিলৈ ৰূপান্তৰিত কৰা হৈছে বুলি উল্লেখ কৰিছে। ইয়াৰ দ্বাৰা অসম বন বিধি, ১৮৯১ আৰু সংশোধিত আইন, ১৯৯৫ ৰ ২৫ আৰু ২৬ ধাৰা সম্পূৰ্ণৰূপে উলংঘা কৰা হৈছে বুলি কোৱা হৈছে। ৭ দিনৰ ভিতৰত দখলকাৰীসকলে বন বিভাগৰ ভূমি খালী নকৰিলে আইন অনুসৰি উচ্ছেদৰ ব্যৱস্থা লোৱা হ'ব বুলি কোৱা হৈছে। উল্লেখযোগ্য যে প্ৰথম পৰ্যায়ত ৩০  খন গাঁৱৰ তিনি হাজাৰ বিঘা ভূমিত উচ্ছেদ চলোৱাৰ কথা কোৱা হৈছিল যদিও জৰীপৰ পাছত এই ভূমিৰ পৰিমাণ ১১ হাজাৰ বিঘালৈ বৃদ্ধি পাইছে।

oooooooo

গুৱাহাটী বিজ্ঞান নগৰী প্ৰকল্পৰ বাবে কেন্দ্ৰীয় চৰকাৰে অতিৰিক্তভাৱে ৫০ কোটি টকা মোকলাই দিছে। এই প্ৰকল্পটো অহা ডিচেম্বৰৰ ভিতৰত উদ্বোধন কৰাৰ বাবে চৰকাৰে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। এই সন্দৰ্ভত কালি নতুন দিল্লীত কেন্দ্ৰীয় সংস্কৃতি মন্ত্ৰী গজেন্দ্ৰ সিং শ্বেখাৱটৰ সৈতে ৰাজ্যৰ বিজ্ঞান প্ৰযুক্তি মন্ত্ৰী কেশৱ মহন্ত এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। এই বৈঠকত মন্ত্ৰী শ্ৰী মহন্তই কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক গুৱাহাটী বিজ্ঞান নগৰীৰ কামৰ অগ্ৰগতি সন্দৰ্ভত বিতংভাৱে অৱগত কৰে। বিজ্ঞান নগৰী প্ৰকল্পৰ মূল অংশ নিৰ্মাণৰ দায়িত্বত থকা এন চি এছ্ এমে ইতিমধ্যে অত্যাধুনিক প্ৰৱেশ চৌহদ, স্পেছ অ'ডিচি আৰু বিজ্ঞান আৱিস্কাৰ চৌদহৰ নিৰ্মাণ প্ৰায় শেষ কৰা বুলি শ্ৰী মহন্তই কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক অৱগত কৰাৰ লগতে ডিচেম্বৰৰ ভিতৰত প্ৰকল্পটো উদ্বোধনৰ বাবে সাজু কৰি তুলিবলৈ অনুৰোধ জনায়। এই অনুৰোধৰ প্ৰতি সঁহাৰি জনাই মন্ত্ৰী শ্বেখাৱটে শীৰ্ষ বিষয়াসকলক প্ৰকল্পটো ডিচেম্বৰত উদ্বোধনৰ বাবে যাৱতীয় সকলো ব্যৱস্থা ক্ষীপ্ৰতাৰে সম্পন্ন কৰাৰ নিৰ্দেশ দিয়ে। এই আলোচনাত কেন্দ্ৰীয় চৰকাৰে প্ৰকল্পটোৰ বাবে অতিৰিক্তভাৱে ধন মোকলাই দিয়াৰ কথা শ্ৰী মহন্তক অৱগত কৰে। একেদৰে ৰাজ্য চৰকাৰেও পূৰ্ব নিৰ্ধাৰিত নিজৰ অংশৰ অতিৰিক্ত পুঁজি হিচাপে ৪৯ কোটি ৮৮ লাখ টকাৰ অনুমোদন জনাইছে বুলি মন্ত্ৰী শ্ৰী মহন্তই কয়। কালিৰ বৈঠকত কেন্দ্ৰীয় সংস্কৃতি মন্ত্ৰালয়ৰ যুটীয়া সচিব লিলি পাণ্ডে, মন্ত্ৰালয়ৰ অধীনৰ ৰাষ্ট্ৰীয় বিজ্ঞান সংগ্ৰহালয় পৰিষদৰ সঞ্চালক প্ৰধান অৰিজিৎ দত্ত চৌধুৰীয়েও অংশগ্ৰহণ কৰে।

oooooooo

ৰাজ্যৰ আদৰ্শ মহাবিদ্যালয়সমূহৰ ৫০ শতাংশ পদত অৱসৰপ্ৰাপ্ত অধ্যাপক নিযুক্তিৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্তৰ সপক্ষে কালি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে যুক্তি দাঙি ধৰে। এই বিষয়টোক লৈ বিভিন্ন পক্ষই প্ৰতিবাদ সাব্যস্ত কৰিছে যদিও নতুন আৰু পুৰণিৰ সমাহাৰেৰে আদৰ্শ মহাবিদ্যালয়সমূহক আগবঢ়াই নিয়াৰ বাবে চৰকাৰে অভিনৱ পন্থা লৈছে বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। তেওঁ কয়, যে ৬৫ বছৰ পৰ্যন্তহে অৱসৰী অধ্যাপকসকলে এই পদত কাৰ্যনিৰ্বাহ কৰিব পাৰিব। মন্ত্ৰীগৰাকীয়ে কালি জনতা ভৱনত অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ দুগৰাকী অধ্যক্ষ আৰু ৫৯ জন সহকাৰী অধ্যাপকক আনুষ্ঠানিকভাৱে নিযুক্তি প্ৰদানৰ পাছত এই কথা প্ৰকাশ কৰে।

বাইট

নতুনকৈ নিযুক্তিপ্ৰাপ্ত প্ৰাৰ্থীসকলক উদ্দেশি মন্ত্ৰীগৰাকীয়ে কয়, যে তেওঁলোকে কাৰিকৰী শিক্ষানুষ্ঠানসমূহৰ মান উন্নত কৰাত আত্মনিয়োগ কৰিব লাগিব। কালি নিযুক্তিৰ পাছত ৰাজ্যত নিযুক্তিৰ সংখ্যা ১ লাখ ২১ হাজাৰ ২৪৩লৈ বৃদ্ধি হৈছে বুলি তেওঁ উল্লেখ কৰে।

০০০০০০০০

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে স্বাস্থ্যজনিত কাৰণত কালি পদত্যাগ কৰিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুলৈ প্ৰেৰণ কৰা এখন পত্ৰত শ্ৰীধনখড়ে উল্লেখ কৰে যে চিকিৎসকৰ পৰামৰ্শ অনুসৰি স্বাস্থ্যৰ যত্ন লোৱাৰ বাবে তেওঁ তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ উপ-ৰাষ্ট্ৰপতি পদৰ পৰা অব্যাহতি বিচাৰিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৰে তেওঁৰ কাৰ্যকালত আগবঢ়োৱা সহায়-সমৰ্থনৰ বাবেও শ্ৰীধনখড়ে কৃতজ্ঞতা জ্ঞাপন কৰে। শ্ৰীধনখড়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লগতে কেন্দ্ৰীয় মন্ত্ৰী পৰিষদৰ প্ৰতিও কৃতজ্ঞতা জনায়। শ্ৰীধনখড়ে সংসদৰ সদস্যসকলৰ পৰা পোৱা সমৰ্থন, বিশ্বাস আৰু স্নেহ সহায় মনত ৰাখিব বুলিও উল্লেখ কৰে।

ভাৰতৰ দৰে বৃহৎ গণতন্ত্ৰৰ এখন দেশত উপ-ৰাষ্ট্ৰপতি হিচাপে লাভ কৰা অমূল্য অভিজ্ঞতাৰ বাবে তেওঁ সকলোৰে প্ৰতি গভীৰ কৃতজ্ঞতা জ্ঞাপন কৰে। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে কয়, যে ভাৰতৰ অৰ্থনৈতিক অগ্ৰগতি আৰু উন্নয়নৰ সাক্ষী হ'বলৈ পোৱাতো তেওঁৰ বাবে সন্তুষ্টিৰ কাৰণ।

০০০০০০০০

ব্ৰহ্মপুত্ৰৰ ওপৰত চীনে বৃহৎ বান্ধ নিৰ্মাণ কৰা বিষয়ত কেন্দ্ৰীয় চৰকাৰে দেশখনৰ সৈতে আলোচনা কৰি সিদ্ধান্ত গ্ৰহণ কৰিব বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আশা প্ৰকাশ কৰিছে। গুৱাহাটীত কালি সাংবাদিকে সোধা এটা প্ৰশ্নৰ উত্তৰ মুখ্যমন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে অৱশ্যে এই বান্ধক লৈ তেওঁ শংকিত নহয় বুলি উল্লেখ কৰে। ব্ৰহ্মপুত্ৰৰ ওপৰত বান্ধ নিৰ্মাণৰ ফলত অসমত কিদৰে প্ৰভাৱ পৰিব সেই বিষয়ে এতিয়াই ক'ব পৰা নাযায় বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। বিষয়টো সন্দৰ্ভত বিশেষজ্ঞসকলে দুই ধৰণৰ মত পোষণ কৰিছে বুলি তেওঁ মন্তব্য কৰে। ইতিবাচক মত অনুসৰি চীনৰ বান্ধৰ ফলত অসমৰ বান পৰিস্থিতি নিয়ন্ত্ৰণ হোৱাৰ সম্ভাৱনা আছে। আনটো মত অনুসৰি এই বান্ধে ৰাজ্যখনৰ জৈৱ বৈচিত্ৰত বিৰূপ প্ৰভাৱ পেলোৱাৰ আশংকা আছে।

বাইট

উল্লেখযোগ্য যে যোৱা শনিবাৰে চীনৰ প্ৰধানমন্ত্ৰীয়ে ব্ৰহ্মপুত্ৰৰ ওপৰত এই বৃহৎ নদীবান্ধ নিৰ্মাণৰ কাম আৰম্ভ কৰে। ইয়াৰ দ্বাৰা পাঁচটা জলবিদ্যুৎ শক্তি কেন্দ্ৰ নিৰ্মাণ কৰা হ'ব। কমেও ৩০ কোটি লোকৰ বাৰ্ষিক বিদ্যুতৰ চাহিদা পূৰণ কৰিব পৰাকৈ প্ৰতিবছৰে ৩০০ বিলিয়ন ইউনিট বিদ্যুৎ উৎপাদনৰ পৰিকল্পনা কৰি এই প্ৰকল্প ৰূপায়ণ কৰা হ'ব। ভূতাত্বিকভাৱে স্পৰ্শকাতৰ অঞ্চলত এই বান্ধৰ ফলত অসম আৰু বাংলাদেশত বিৰূপ পৰিস্থিতি উদ্ভৱ হ'ব পাৰে বুলি পৰিৱেশবিদসকলে আশংকা কৰিছে।

০০০০০০০০

ন্যায়াধীশ আশুতোষ কুমাৰে কালি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হিচাপে শপতগ্ৰহণ কৰে। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত অনুষ্ঠিত এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ন্যায়াধীশগৰাকীক পদ আৰু গোপনীয়তা ৰক্ষাৰ শপতবাক্য পাঠ কৰোৱায়। ন্যায়াধীশ আশুতোষ কুমাৰ ইয়াৰ পূৰ্বে পাটনা উচ্চ ন্যায়ালয়ৰ কাৰ্যবাহী মুখ্য ন্যায়াধীশ হিচাপে কৰ্মৰত আছিল। শপতগ্ৰহণ অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ, অধিবক্তা আৰু জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

০০০০০০০০

আমিনগাঁৱৰ পুৰণি ঐতিহ্যমণ্ডিত ৰে'ল ষ্টেচনটো শীঘ্ৰেই ন-ৰূপত সজাই তোলা হ'ব। ১৯০৭ চনতে নিৰ্মাণ কৰা এই ষ্টেচনটোৰ পৰা শৰাইঘাট দলং মুকলি হোৱাৰ পাছতে ১৯৬৩ চনত অন্তিমখন ৰে'লে যাত্ৰা কৰিছিল। পূৰ্বে বহিঃৰাজ্যৰ সৈতে সংযোগৰ একমাত্ৰ মাধ্যম এই ষ্টেচনটো ৰে'ল বিভাগে সংৰক্ষণ কৰাৰ বাবে ব্যৱস্থা লৈছে বুলি উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া কপিঞ্জল কিশোৰ শৰ্মাই প্ৰকাশ কৰে।

বাইট

oooooooo

উচ্চতম ন্যায়ালয়ে বিধি বলৱৎকাৰী সঞ্চালকালয়ৰ আচৰণক কালি কঠোৰ ভাষাৰে সমালোচনা কৰে। ৰাজনৈতিক যুঁজত তদন্তকাৰী সংস্থাটোক অস্ত্ৰৰূপে ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত সতৰ্ক কৰি দি মুখ্য ন্যায়াধীশ বি আৰ গৱাইৰ নেতৃত্বত এখন বিচাৰপীঠে এই কথা উল্লেখ কৰে। বিচাৰপীঠখনে কৰ্ণাটক উচ্চ ন্যায়ালয়ৰ এটা ৰায়ক প্ৰত্যাহ্বান জনাই দাখিল কৰা এখন আবেদন খাৰিজ কৰি এই বিষয়ে স্পষ্ট কৰি দিয়ে।

oooooooo

ৰাজ্য চৰকাৰে অসম সামগ্ৰী আৰু সেৱা কৰ আঁচনি, ২০২৫ৰ অধিসূচনা জাৰি কৰিছে। থলুৱা কাঁহৰ সামগ্ৰী প্ৰস্তুতকাৰীসকলক আৰ্থিক সাহায্য প্ৰদানৰ লক্ষ্যৰে চৰকাৰে এই পদক্ষেপ গ্ৰহণ কৰিছে। ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাজেট ঘোষণাৰ সৈতে সংগতি ৰাখি ৰাজ্য চৰকাৰে বৰ্তমানৰ কৰ গাঁথনিৰ বিৰূপ প্ৰভাৱ লাঘৱ কৰাৰ বাবে এই ধন পৰিশোধ ব্যৱস্থা প্ৰৱৰ্তন কৰিছে। এই নতুন ব্যৱস্থা অনুসৰি যোগ্য, খিলঞ্জীয়া, কাঁহৰ সামগ্ৰী নিৰ্মাতাসকলে অসম জি এছ্ টি আইন, ২০১৭-ৰ অধীনত ৰাজ্যিক জি এছ্ টি নগদ ধনৰ ৰূপত ঘূৰাই পাব।

oooooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি তিনিচুকীয়া জিলা ভ্ৰমণ কৰি কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। তেওঁ বিয়লি শদিয়া  মহকুমাৰ ছপাখোৱাৰ বুঢ়া-বুঢ়ী শালত আয়োজিত এটা ধৰ্মীয় অনুষ্ঠানতো ভাগ ল'ব।

oooooooo

ৰাজ্যত কূটাঘাত সংঘটিত কৰাৰ উদ্দেশ্যে সংগঠিত হোৱা সাতজন লোকক কালি শোণিতপুৰ আৰক্ষীয়ে কৰায়ত্ত কৰে। আৰক্ষীয়ে লোককেইজনৰ পৰা দুটা অত্যাধুনিক পিষ্টল, দুটা মেগজিন, দুটা হস্তনিৰ্মিত বন্দুক আৰু বুজন পৰিমাণৰ অন্য অস্ত্ৰ-শস্ত্ৰ জব্দ কৰে। জিলাখনৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক বৰুণ পুৰকায়স্থই প্ৰকাশ কৰা অনুসৰি আৰক্ষীয়ে চি আৰ পি এফৰ সহযোগত চলোৱা এই অভিযানত লোককেইজনক গ্ৰেপ্তাৰ কৰা হয়। এই লোককেইজনে অসম-অৰুণাচল সীমান্তত তথা জিলাখনৰ চপাই নদীৰ সমীপত নিৰ্মাণ কৰা এটা অস্থায়ী শিবিৰো আৰক্ষীয়ে উৎখাত কৰে। শিবিৰটোৰ পৰাও আৰক্ষীয়ে অস্ত্ৰ-শস্ত্ৰ তথা আপত্তিজনক সামগ্ৰী উদ্ধাৰ কৰিছে। এই লোককেইজন পূৰ্বে কোনো উগ্ৰপন্থী সংগঠন নাইবা অপৰাধজনিত ঘটনাৰ সৈতে জড়িত আছিল নেকি, সেই সন্দৰ্ভত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। ধৃত লোককেইজন গাব্ৰা বসুমতাৰী, ৰোহিত বসুমতাৰী, আখেব বসুমতাৰী, ৰুবুল বড়ো, আফতাৰচন নাৰ্জাৰী, আঞ্চুলা ইছলাৰী আৰু ফিলিপ বসুমতাৰী বুলি আৰক্ষীয়ে চিনাক্ত কৰিছে।

oooooooo

News Paper REV.

আৰম্ভ হোৱা সংসদৰ বৰ্ষাকালীন অধিৱেশন, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ৰ পদত্যাগ আৰু ৰাজনৈতিক স্বাৰ্থত কেন্দ্ৰীয় সংস্থাৰ অপব্যৱহাৰ হোৱা বুলি উচ্চতম ন্যায়ালয়ৰ ভৎর্সনা আদি বাতৰিসমূহ আজি আটাইবোৰ কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

লোকসভাৰ মজিয়াত অসমৰ শিক্ষাখণ্ডৰ স্বৰূপ উন্মোচিত হৈছে। মাধ্যমিক পৰ্যায়ত আধাতে বিদ্যালয় এৰা শিক্ষাৰ্থীৰ ক্ষেত্ৰত দেশৰ ভিতৰত অসম দ্বিতীয় স্থানত আছে। অসমীয়া প্ৰতিদিন কাকতে শিক্ষাখণ্ডৰ এই বাতৰি প্ৰকাশ কৰিছে।

ৰাজ্যৰ ১০ লাখ একৰ ভূমি দখলকাৰীৰ কৱলত আছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সদৰি কৰি কয়, যে সম্প্ৰতি প্ৰশাসনে চলাই থকা উচ্ছেদ কাৰ্যত চৰকাৰ আন্তঃৰাষ্ট্ৰীয় হেঁচাৰ সন্মুখীন হৈছে। এই বাতৰিক দি আছাম ট্ৰিবিউন কাকতে প্ৰকাশ কৰিছে।

তীববতৰ য়াৰলং চাংপো অৰ্থাৎ ব্ৰহ্মপুত্ৰত নিৰ্মিত চীনৰ জলবিদ্যুৎ প্ৰকল্প অসমৰ বাবে ভাল নে বেয়া এতিয়াই ক'বলৈ টান বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ মন্তব্যৰে দৈনিক অসম কাকতে চীনৰ বৃহৎ জলবিদুৎ প্ৰকল্প সন্দৰ্ভত বাতৰি প্ৰকাশ কৰিছে।

আমাৰ অসম কাকতে চচলত ইনষ্টিটিউট অব হোটেল মেনেজমেণ্টৰ অট্টালিকা উচ্ছেদ কৰা বাতৰি প্ৰকাশ কৰিছে। গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ উদ্ধৃতিৰে বাতৰিটোত কোৱা হৈছে যে, প্ৰশাসনে পৰ্যায়ক্ৰমে শিলসাকোৰ পৰা অন্যান্য প্ৰতিষ্ঠানসমূহো উচ্ছেদ কৰিব।

অসমীয়া খবৰ কাকতে ৰাজ্যত ক্ৰমাৎ জটিল হৈ পৰা খৰাং পৰিস্থিতিৰ বাতৰি প্ৰকাশ কৰিছে। ২৭ খন জিলাৰ কৃষকে পানীৰ অভাৱত খালি ধানৰ খেতি কৰিব পৰা নাই বুলি বাতৰিটোত কোৱা হৈছে।

ন্যায়াধীশ আশুতোষ কুমাৰ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হিচাপে শপত লোৱা বতৰিটোক আলোকচিত্ৰসহ দ্যা ছেণ্টিনেল কাকতে প্ৰকাশ কৰিছে।

শাসকীয় বিজেপি দলৰ সৈতে মিত্ৰদল অসম গণ পৰিষদৰ সংঘাটৰ এটা বাতৰি দৈনিক অগ্ৰদূত কাকতে প্ৰকাশ কৰিছে।

চীনা সেনাৰ গতিবিধি নিৰীক্ষণৰ বাবে নতুন দিল্লীয়ে গ্ৰহণ কৰা পদক্ষেপৰ অংশ হিচাপে লাডাখত ১৬ হাজাৰ ৭০০ ফুট উচ্চতাত ভাৰতীয় বায়ু সেনাৰ ঘাটি নিৰ্মাণ কৰা হৈছে। এই বাতৰি নিয়মীয়া বাৰ্তা কাকতৰ।

এতিয়া আহক পুনৰ বাতৰিৰ মাজলৈ উভতি যাওঁ।

০০০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৭ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই প্ৰকাশ কৰিছে।

০০০০০০০০

**সমাপ্ত**